# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-03-2026
**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*
## HEADLINE

১।	বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বজালী, টিহু আৰু নলবাৰী সমষ্টিক সামৰি আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা।

২।	সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ। লোকসভাত অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে উত্থাপিত অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আলোচনা।

৩।	এক এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩০ টকাকৈ বৃদ্ধি।

*আৰু*

৪।	আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ভাৰতৰ ইতিহাস ৰচনা।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী কুচকাৱাজ বৃদ্ধি পাইছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা চলাইছে।  মুখ্যমন্ত্ৰীয়ে আজি বজালী জিলাত এই যাত্ৰা আৰম্ভ কৰিছে। ইয়াৰ পাছতে তেওঁ টিহু আৰু নলবাৰী সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ ল'ব।

ইপিনে সমাগত বিধানসভা নিৰ্বাচনত কেইবাটাও বিৰোধী দলে মিত্ৰতা কৰাৰ চৰ্চা চলি আছিল যদিও ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছৰ সৈতে ৰাইজৰ দলে মিত্ৰতা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি দলটোৱে এটা বিবৃতিযোগে বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰাৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ লগতে কেইবাটাও সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছে। নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদি অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে আজি নতুন দিল্লীত কংগ্ৰেছ দলত যোগদান কৰিব।

০০০০০০০

সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে।   দিনৰ ১১ বজাত নিম্ন সদন মিলিত হোৱাৰ সময়ত সদ্যপ্ৰয়াত ছিলঙৰ সাংসদ তথা ভইচ অৱ দ্যা পিপল পাৰ্টীৰ নেতা ড০ ৰিকি এন্দ্ৰিউ জে চিংকনৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। সদনে লগতে প্ৰাক্তন সদস্য কুমাৰী সুশীলা ত্ৰিৰিয়া, দেৱী বাক্স সিং, পূৰ্ণমাসি ৰাম আৰু কে বি উন্নীকৃষ্ণনৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে। প্ৰয়াত সাংসদসকলৰ  আত্মাৰ শান্তি কামনাৰে সকলো সদস্যই কিছু সময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

লোকসভাত আজি বিৰোধী দলে অধ্যক্ষ ওম বিৰলাৰ বিৰুদ্ধে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।  কংগ্ৰেছৰ তিনিজন সাংসদ- মহম্মদ জাভেদ, কে সুৰেশ আৰু মাল্লু ৰবিয়ে সংসদত এই প্ৰস্তাৱ উত্থাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দাঙি ধৰিব। ইপিনে ৰাজ্যসভাত আজি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই অধিৱেশন অহা ২ এপ্ৰিলত অন্ত পৰিব।

উল্লেখযোগ্য যে যোৱা মাহত অনুষ্ঠিত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত বিৰোধী পক্ষই অধ্যক্ষক আঁতৰোৱাৰ দাবী জনাই লোকসভাৰ সাধাৰণ সচিবলৈ অনাস্থা প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। এই প্ৰস্তাৱত তেওঁলোকে শ্ৰীবিৰলাৰ বিৰুদ্ধে পক্ষপাতমূলক আচৰণৰ অভিযোগ তুলিছিল। তৃণমূল কংগ্ৰেছৰ বাহিৰে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, বাওঁ আৰু অন্যান্য দলৰ ১১৮ জন সাংসদে এই অনাস্থাত সমৰ্থন জনাইছিল।

০০০০০০০

অহা এক এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩০ টকাকৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰ উপত্যকাত দৈনিক মজুৰি ২৮০ টকা আৰু বৰাক উপত্যকাত শ্ৰমিকসকলৰ মজুৰি দৈনিক ২৫৮ টকালৈ বৃদ্ধি পাব। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। চাহ বাগিচাৰ সৰ্বাংগীন উন্নয়ন আৰু শ্ৰমিকসকলৰ সামাজিক সুৰক্ষা নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, চাহ জনজাতি তথা আদিবাসী সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশৰ বাবে ৰাজ্য চৰকাৰে ভালেমান পদক্ষেপ লৈছে। এই অনুসৰি চৰকাৰী চাকৰিৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত তিনি শতাংশ সংৰক্ষণ, ডেৰ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীলৈ প্ৰাক প্ৰৱেশিক আৰু প্ৰৱেশিকাৰ পৰৱৰ্তী সময়ত জলপানী, চাহ বাগিচা অঞ্চলত ১২০ খন আদৰ্শ বিদ্যালয় স্থাপন, এম বি বি এছ পাঠ্যক্ৰমত সংৰক্ষিত আসনৰ সংখ্যা চাৰিলৈ বৃদ্ধিৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। তদুপৰি চাহ বাগিচা অঞ্চলত ১৫ খন চিকিৎসালয় স্থাপন, বিনামূলীয়া ঔষধ যোগান আৰু কমেও ২৪০ খন চাহ বাগিচাত আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপন কৰা হৈছে।

০০০০০০০

দ্বাদশ মণিপুৰ বিধানসভাৰ অধিৱেশন আজি পুনৰ আৰম্ভ হৈছে। যোৱা ৫ ফেব্ৰুৱাৰীত এই অধিৱেশনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰখা হৈছিল। এইবাৰ অধিৱেশনত যোৱা ৫ ফেব্ৰুৱাৰীত ৰাজ্যপালে দিয়া ভাষণৰ ওপৰত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে ২০২৬-২৭ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী আৰু সদ্য প্ৰয়াত সদস্যসকলৰ শোক প্ৰস্তাৱ উত্থাপন কৰা হ'ব। অহা ১৭ মাৰ্চত এই অধিৱেশনৰ সামৰণি পৰিব।

০০০০০০০

কাজিৰঙাৰ বগৰীজুৰিত শনিবাৰৰ পৰা চাৰিদিনীয়া কাৰ্য্যসূচীৰে কাজিৰ ৰংহাংপি ঐতিহ্য মেলা অনুষ্ঠিত হৈছে। বিভিন্ন চৰকাৰী বেচৰকাৰী সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই মেলা দিনৰ ১১ বজাৰ পৰা নিশা ৮ বজালৈ মুকলি ৰখা হৈছে। একেখন মঞ্চত আদিবাসী ঐতিহ্য প্ৰদৰ্শন, জৈৱ বৈচিত্ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি আৰু দায়বদ্ধ পৰ্য্যটনৰ প্ৰসাৰৰ বাবে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। কাজিৰঙা আৰু কাৰ্বি আংলং জিলাৰ মহিলা গোটে এই মেলাৰ দুৱাৰ মুকলি কৰে। স্থানীয়ভাৱে উৎপাদিত বিভিন্ন খাদ্য সামগ্ৰী, বাঁহ, কাঠ আৰু বেতৰ হস্তশিল্পৰ সামগ্ৰী বস্ত্ৰকে ধৰি বিভিন্ন সামগ্ৰীৰ বিপণী মেলাত মুকলি কৰা হৈছে। কাৰ্য্যসূচীৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালি, লোক নৃত্য, গীত, ভাষা শিক্ষাকে ধৰি কেইবাটাও বিষয়ত আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰ্য্যটক, নীতি নিৰ্ধাৰক বিভিন্ন সংগঠনৰ প্ৰতিনিধি, উদ্যোগীকে ধৰি কমেও ৫ হাজাৰ লোকে মেলাৰ বিভিন্ন কাৰ্যসূচীত অংশ লব বুলি উদ্যোক্তা সকলে প্ৰকাশ কৰিছে।

০০০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন কাইলৈ মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই উৰন সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, মাছখোৱাৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুখনেৰে কালিৰে পৰা লঘূ যান বাহনৰ চলাচল কৰা হৈছে।

০০০০০০০

অসমৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান তথা স্থানীয় গ্ৰাম্য সংস্থাসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৫ সংখ্যক বিত্ত আয়োগৰ অনুদানৰ ২৫৬ কোটি ৬০ লাখ টকা মুকলি কৰি দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে আগবঢ়োৱা এই ধনৰাশি ২৭ খন জিলা পঞ্চায়ত, ১৮২ টা ব্লক পঞ্চায়ত, দুহেজাৰ ১৯২ খন গাঁও পঞ্চায়ত আৰু তিনিখন স্বায়ত্ব শাসিত জিলা পৰিষদ ক্ৰমে- বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু ডিমাহাচাও স্বায়ত্ব শাসিত পৰিষদৰ বাবে আগবঢ়োৱা হৈছে। তদুপৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ আনটাইড অনুদানৰ প্ৰথম কিস্তিৰ ৪২ কোটি ৭০ লাখ টকাৰ বাকী থকা অংশ অতিৰিক্তভাৱে তিনিখন স্বায়ত্ব শাসিত পৰিষদলৈ মুকলি কৰা হৈছে।

০০০০০০০

অসমৰ বিভিন্ন আদালতত যোৱা ফেব্ৰুৱাৰী পৰ্যন্ত পাঁচ লাখ ৭২ হাজাৰতকৈ অধিক গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত কেইবা হাজাৰো গোচৰ ১০ৰ পৰা ২০ বছৰ পুৰণি। ন্যায়িক বিভাগৰ তথ্য অনুসৰি যোৱা ৯ ফেব্ৰুৱাৰী পৰ্যন্ত ৰাজ্যৰ বিভিন্ন আদালতত পাঁচ লাখ ৭২ হাজাৰ ৮৬৭ টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। ইয়াৰ ভিতৰত ৫৪ হাজাৰ ৭৭৮ টা গোচৰ পাঁচ বছৰ পুৰণি। একেদৰে ১০ বছৰৰো অধিক পুৰণি ন হাজাৰ ৫৬৪টা গোচৰ এই পৰ্যন্ত নিষ্পত্তি নোহোৱাকৈ আছে। আদালতত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহৰ ভিতৰত অধিকাংশ হৈছে ফৌজদাৰী গোচৰ।

০০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এইকথা প্ৰকাশ কৰে।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে নিউজিলেণ্ডক ৯৬ ৰানত হৰুৱাই একেৰাহে দ্বিতীয়বাৰৰ বাবে টী-২০ বিশ্বকাপত চেম্পিয়ন হয়। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে নিৰ্ধাৰণ কৰি দিয়া ২৫৬ ৰানৰ বৃহৎ লক্ষ্যৰে খেল আৰম্ভ কৰি নিউজিলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। জছপ্ৰীত বুমৰাই ৪টা উইকেট দখল কৰাৰ লগতে অক্ষৰ পেটেলে ৩টা উইকেট লাভ কৰে। বুমৰাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৫৫ ৰান সংগ্ৰহ কৰে। টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত এয়া আছিল ভাৰতৰ সৰ্বাধিক ৰান। অপেনাৰ সঞ্জু চেমছনে সৰ্বাধিক ৮৯ ৰান কৰাৰ লগতে ঈষাণ কিযাণে ৫৪ আৰু অভিষেক শৰ্মাই ৫২ ৰান কৰে। নিউজিলেণ্ডৰ জেমছ নিচমে তিনিটা উইকেট লাভ কৰে। ছেমছনক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

০০০০০০০

**সমাপ্ত**